অসম চৰকাৰ

# উপায়ুক্তৰ কাৰ্য্যালয় ঃঃ গোৱালপাৰা

(উন্নয়ণ শাখা)

4

# জাননী

দিনাংক গোৱালপাৰা, ১০ ছেপ্তেম্বৰ '০৮

নং - জিডিপি - ১৬/২০০৮/৪ ঃ যিহেতু অসম চৰকাৰৰ, ভৈয়াম জনজাতি আৰু অনুন্নত পিচপৰা সম্প্রদায়ৰ কল্যাণ বিভাগৰ ২৬/০৫/০৮ তাৰিখৰ আদেশ নং টি এ ডি / বি চি/৭৯ / ২০০৮/ ১৩, ২৭/০৬/০৮ তাৰিখৰ আদেশ নং- টি এ ডি / বি চি / ৭৯/২০০৮ / ৫৫ আৰু ৫ ছেপ্তেম্বৰ ২০০৮ তাৰিখৰ চিঠি নং টি এ ডি / বি চি /২০০৮ / ৩৮ মৰ্ম্মে গোৱালপাৰা আৰু কামৰূপ জিলাৰ উপায়ুক্তক ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ (আৰ এইচ এ চি) ৰ প্রস্তাৱিত সীমা নিৰ্দ্ধাৰণৰ বিষয়ে পুণৰ বিবেচনা কৰি চৰকাৰৰ অনুমোদন আৰু ঘোষণাৰ বাবে প্রস্তাৱ দাখিল কৰিবলৈ দায়িত্ব অৰ্পণ কৰিছে, সেইবাবে বৰ্ত্তমান নিম্ন স্বাক্ষৰ কাৰীয়ে চৰকাৰে দিয়া ক্ষমতা প্রয়োগ কৰি পুণৰ নিৰ্দ্ধাৰণৰ খচৰা জাননী আজি ২০০৮ চনৰ ছেপ্তেম্বৰ মাহৰ ১০ তাৰিখে গোৱালপাৰা জিলাৰ ৰংজুলি, মাটিয়া, দুধনৈ, বালিজানা আৰু লক্ষীপুৰ ৰাজহ চক্রৰ অন্তৰ্গত মুঠ ৩৮৭ খন গাঁও সামৰি ৰাভা হাছং স্বায়ত্ব এলেকাৰ অন্তৰ্ভূক্ত কৰি প্রস্তাৱৰ খচৰা প্রকাশ কৰা হ'ল।

পুণৰ নিৰ্দ্ধাৰণৰ প্রস্তাৱৰ খচৰা প্রতিলিপি গোৱালপাৰা জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়, ৰংজুলি, দুধনৈ, মাটিয়া, বালিজানা আৰু লক্ষীপুৰ চক্রৰ চক্র বিষয়াৰ কাৰ্য্যালয় / ৰংজুলি, কুচধোৱা, কৃষ্ণাই, মাটিয়া, বালিজানা, খৰমুজা, লক্ষীপুৰ আৰু জলেশ্বৰ খণ্ড উন্নয়ণৰ খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় / ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ প্রধান সচিবৰ কাৰ্য্যালয় দুধনৈ আৰু গোৱালপাৰা জিলাৰ অন্তৰ্গত আটাইবোৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ত জনসাধাৰণৰ পৰিদৰ্শনৰ বাবে ৰখা হৈছে। স্বায়ত্ব শাসিত পৰিষদৰ অৰ্ন্তভূক্তি বা বৰ্হিভূক্তিৰ আৱশ্যকীয় আবেদনৰ প্র-পত্র উপৰোক্ত কাৰ্য্যালয় সমূহত পোৱা যাব। আৱশ্যক অনুসৰি প্র-পত্রৰ ফটোষ্টেট কপি / মূদ্রা লেখন প্রতিলিপিও ব্যৱহাৰ কৰিব পাৰিব।

সীমা নিৰ্দ্ধাৰণৰ খচৰা প্রস্তাৱ অনুসৰি স্বায়ত্ব শাসিত পৰিষদত অৰ্ন্তভূক্তি বা বৰ্হিভূক্ত কৰিবৰ বাবে ব্যক্তি বা সংগঠনৰ দাবীৰ আবেদনৰ প্র-পত্র কেৱল গোৱালপাৰা জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয় আৰু ৰংজুলি, দুধনৈ, মাটিয়া, বালিজানা আৰু লক্ষীপুৰ ৰাজহ চক্র বিষয়াৰ কাৰ্য্যালয়ত খোলা দিনৰ কৰ্ম্মৰত সময়ৰ ভিতৰত ১০/০৯/০৮ তাৰিখৰ পৰা ৩০/০৯/০৮ তাৰিখলৈ গ্রহণ কৰা হ'ব।

গ্রহণ কৰা আপত্তি / পৰামৰ্শ প্রয়োজন সাপেক্ষে শুনানীৰ বাবে পিছত তাৰিখ নিৰ্দ্ধাৰণ কৰা হ'ব।

(এ গোয়েল, আই এ এচ)
উপায়ুক্ত,
গোৱালপাৰা

স্মাৰ নং - জিডিপি - ১৬/২০০৮/৪ - ক তাৰিখ ঃ গোৱালপাৰা ১০ ছেপ্তেম্বৰ/ ২০০৮

**জ্ঞাতাৰ্থে ও কাৰ্যকৰাণাৰ্থে প্রেৰণ কৰা হ'ল ঃ**

১। মাননীয় প্রধান সচিব, অসম চৰকাৰ, ভৈয়াম জনজাতি আৰু অনুন্নত পিচপৰা সম্প্রদায় কল্যাণ বিভাগ।
২। মাননীয় আয়ুক্ত, নামনি অসম সংমণ্ডল।
৩। মাননীয় উপায়ুক্ত, কামৰূপ (মহানগৰ) জিলা।
৪। মাননীয় উপায়ুক্ত, কামৰূপ জিলা।
৫। মাননীয় আৰক্ষী অধীক্ষক, গোৱালপাৰা জিলা।
৬। মাননীয় প্রধান সচিব, ৰাভা হাছং স্বায়ত্ব পৰিষদ।
৭। সকলো ৰাজহ চক্র বিষয়া / খণ্ড উন্নয়ন বিষয়া, গোৱালপাৰা জিলা।
৮। সকলো সংশ্লিষ্ট বিষয়া, গোৱালপাৰা জিলা।
৯। সকলো গাওঁ পঞ্চায়ত সচিব, গোৱালপাৰা জিলা।
১০। কাৰ্যালয়ৰ নথিভূক্তৰ বাবে।

(এ গোয়েল, আই এ এচ)
উপায়ুক্ত,
গোৱালপাৰা